**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-09-2025
**Time :** 1800 HRS

***Assamese Evening Bulletin***
**Headlines**
**-------------------**

০০০০০

১। অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলক অক্টোবৰত পূজাৰ বিশেষ ধন হিচাপে এহেজাৰ ৫০০ টকাকৈ প্ৰদানৰ বাবে মন্ত্ৰীসভাৰ সিদ্ধান্ত।

২। মিচিং আৰু সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত ৰাজনৈতিক দলৰ প্ৰতীক ব্যৱহাৰ নহ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে কোনো ধৰণৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচী ৰূপায়ণ নকৰিবলৈ নগাঁও জিলা নিৰ্বাচনী বিষয়াৰ সকীয়নি।

*আৰু*

৪। এছিয়ান গেমছৰ শ্বুটিং প্ৰতিযোগিতাত অনন্ত জিৎ সিং নাৰুকা আৰু পৰিনাজ ধালিৱালৰ ব্ৰঞ্জৰ পদক অৰ্জন।

০০০০০

শাৰদীয় দুৰ্গোৎসৱৰ বতৰত অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলে অক্টোবৰত নিয়মীয়া এহেজাৰ ২৫০ টকাৰ পৰিৱৰ্তে পূজাৰ বিশেষ ধন হিচাপে এহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত আজি এই সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত এখন সংবাদ মেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে সদৰি কৰি কয় যে পূজাৰ বতৰত অসম চাহ নিগম লিমিটেডৰ সমূহ কৰ্মচাৰী আৰু চাহ শ্ৰমিকক ২০ শতাংশ বনাচ প্ৰদান কৰা হ'ব। তদুপৰি দুৰ্গা পূজা উপলক্ষে নিৰ্ধাৰিত বন্ধৰ ভিতৰত ১৮ অক্টোবৰ দিনটোত দেওবাৰ হোৱা বাবে ১৭ অক্টোবৰত চৰকাৰী বন্ধৰ দিন হিচাপে ঘোষণা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

বাইট (চি এম)

ৰাজ্যিক মন্ত্ৰীসভাই অহা মাহৰ বাবে সুলভ মূল্যৰ দোকানত ৰাজসাহায্যযুক্ত চেনি আৰু মচুৰ দাইল ১০০ টকাত বিতৰণ কৰিবলৈ অনুমোদন জনায়। তদুপৰি মহিলা আত্ম-সহায়ক গোটৰ সদস্যাসকলৰ আধাৰ পঞ্জীয়ন সম্পূৰ্ণ কৰাৰ বাবে ২০২৭ বৰ্ষৰ ৩১ মাৰ্চলৈ এককালীন ৰেহাইত অনুমোদন জনোৱা হয়।

ইপিনে, ৰাজ্যত উৎপাদিত মছলাৰ পৰীক্ষণ আৰু প্ৰমাণিকৰণৰ সুবিধা প্ৰদানেৰে ইয়াৰ বিপণন আৰু ৰপ্তানি সহজ কৰি তোলাৰ লক্ষ্যৰে গুৱাহাটীত মছলা পৰিষদৰ অত্যাধুনিক মছলা পৰীক্ষাগাৰ স্থাপনৰ বাবেও মন্ত্ৰীসভাই অনুমোদন জনায় বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে কামৰূপত ঔদ্যোগিক ক্ষেত্ৰ

স্থাপনৰ বাবে হাজো ৰাজহ চক্ৰৰ ৫০৪ বিঘা মাটি আবণ্টনৰ প্ৰস্তাৱত মন্ত্ৰীসভাই অনুমোদন জনাইছে। ডঃ শৰ্মাই সমাগত মিচিং আৰু সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বিষয়ে উল্লেখ কৰি কয় যে এই নিৰ্বাচনত ৰাজনৈতিক দলৰ প্ৰতীক ব্যৱহাৰ নহ'ব।

- (বাইট-চি এম) -

ooooo

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ইভিএমৰ দ্বিতীয় পৰ্যায়ৰ ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়া ইতিমধ্যে সম্পন্ন হৈছে। নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত দুয়োখন নিৰ্বাচনী জিলাৰ বাবে এই প্ৰক্ৰিয়া নগাঁও জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। এই প্ৰক্ৰিয়াত নিৰ্বাচনী সাধাৰণ পৰ্যবেক্ষক আৰু ৰাষ্ট্ৰীয় তথা ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি উপস্থিত থাকে। উল্লেখযোগ্য যে ইভিএমসমূহত ভোটগ্ৰহণ কেন্দ্ৰৰ নম্বৰ সংযোজন কৰা হৈছে আৰু নগাঁও আৰু মৰিগাঁও দুয়োখন জিলাতে ভোটগ্ৰহণ কেন্দ্ৰভিত্তিক ইভিএমসমূহৰ পৃথকীকৰণৰ কাম চলি আছে। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত আছে। ৰাজনৈতিক দলসমূহে সমষ্টিটোৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলাই ভোটদাতাসকলৰ মন জয় কৰাৰ চেষ্টা চলাইছে।

নিৰ্বাচনী বিধি অনুযায়ী প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে কোনো ধৰণৰ নিৰ্বাচনী সভা-সমিতি, শোভাযাত্ৰা, সমাবেশ আদি কাৰ্যসূচী ৰূপায়ণ নকৰিবলৈ নগাঁও লোকসভা উপ-নিৰ্বাচনৰ ৰিটাৰ্ণিং বিষয়া আৰু জিলাখনৰ আয়ুক্ত আৰণ্যক শইকীয়াই সকিয়াই দিছে। আজি জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে এখন ৰাজহুৱা জাননীযোগে আগতীয়া অনুমতি অবিহনে বহুতো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে নিৰ্বাচনী সভা আৰু সমাবেশ অনুষ্ঠিত কৰা পৰিলক্ষিত হৈছে বুলি জানিবলৈ দিয়ে। তেওঁ প্ৰাৰ্থীৰ হাতপুথিৰ নিয়ম আৰু নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুযায়ী যিকোনো ৰাজহুৱা বা ব্যক্তিগত স্থানত নিৰ্বাচনী সভা অনুষ্ঠিত কৰিবলৈ আগতীয়া অনুমতি লোৱাৰ বিষয়ত সকলো প্ৰাৰ্থী তথা তেওঁলোকৰ প্ৰতিনিধিসকলক সকিয়াই দিয়ে। তেওঁ কয় যে নিৰ্বাচনৰ আদৰ্শ আচৰণ বিধিৰ দ্বিতীয় অংশত এই বিষয়ে উল্লেখ আছে। এতিয়াৰে পৰা এই নিয়ম ভংগ কৰা কাৰ্যসূচী গ্ৰহণ কৰিলে বিধিসন্মতভাৱে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি শ্ৰীশইকীয়াই জানিবলৈ দিয়ে।

ooooo

মাজুলী জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত আজি ভালেকেইগৰাকী উদ্যমী কৃষকৰ উপস্থিতিত ৰাষ্ট্ৰীয় ভোজ্য তেল - তৈল খেজুৰ অভিযান আঁচনি সন্দৰ্ভত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। সভাত জিলা কৃষি বিষয়া নাছেৰ ইকবাল ৰেজা, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ভাস্কৰজ্যোতি ফুকন, থ্ৰী-এফ অইল পাম কোম্পানী লিমিটেডৰ মাণ্ডলিক প্ৰধান প্ৰণৱ দত্ত আৰু বিভাগীয় বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

ooooo

অসম আৰু অৰুণাচল প্ৰদেশৰ সীমা সমস্যা সমাধান সন্দৰ্ভত বিশ্বনাথ জিলা আয়ুক্তৰ সভাকক্ষত আজি এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই সভাপতিত্ব কৰে। বিশ্বনাথ জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন আৰু বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থকা এই বৈঠকত বিহালী সংৰক্ষিত বনাঞ্চলকে ধৰি বিশ্বনাথ জিলাৰ অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী এলেকাৰ সীমা সমস্যা সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। বৈঠকত বিশ্বনাথৰ জিলা আয়ুক্ত কৰবী শইকীয়া কৰণ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক আচিফ আহমেদ, অতিৰিক্ত আয়ুক্ত প্ৰভাত পেগু, অতিৰিক্ত আৰক্ষী অধীক্ষক

দেৱৰ্ষি চৌধুৰী, চক্ৰ বিষয়া, পূব শোণিতপুৰ বন সংমণ্ডলৰ সহকাৰী বন সংৰক্ষক, বনাঞ্চলিক বিষয়া আদিকে ধৰি ভালেসংখ্যক বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

০০০০০

তেজপুৰৰ ১ নম্বৰ দোলাভাৰী গাঁৱত উদ্ধাৰ হোৱা বিৰল প্ৰজাতি এটা দোৰা কাছ উদ্ধাৰ কৰি চিত্ৰলেখা উদ্যানৰ পুখুৰীত মুকলি কৰি দিয়া হয়। মইনুল হুছেইন নামৰ যুৱকজনে কাছটোক সুৰক্ষিতভাৱে উদ্ধাৰ কৰি সৰ্পবান্ধৱ সৌৰভ বৰকটকীৰ হাতত অৰ্পণ কৰে। শ্ৰীবৰকটকীয়ে পৰীক্ষাৰ অন্তত বিৰল প্ৰজাতিৰ দোৰা কাছ বুলি কাছটো চিনাক্ত কৰাৰ লগতে নৈ-বিল, পিতনি আৰু জলাশয় ক্ৰমাৎ হ্ৰাস হোৱাৰ ফলত এইবিধ কাছৰ প্ৰাকৃতিক বাসস্থান সংকুচিত হৈ অহাৰ কথা প্ৰকাশ কৰে। এই উদ্ধাৰ হোৱা বিৰল প্ৰজাতিৰ কাছটো পাছত বন বিভাগৰ লোকৰ উপস্থিতিত চিত্ৰলেখা উদ্যানৰ পুখুৰীত মুকলি কৰি দিয়া হয়। উল্লেখযোগ্য যে বন্যপ্ৰাণী সুৰক্ষা আইন, ১৯৭২ৰ অধীনত বন্যপ্ৰাণীৰ ক্ষেত্ৰত আইনগত সুৰক্ষাৰ ব্যৱস্থা আছে।

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত প্ৰবাসী অসমীয়াৰ সাক্ষ্য প্ৰদান অব্যাহত আছে। ছিংগাপুৰৰ অসম এছ'ছিয়েচনৰ সভাপতি অভিমন্যু তালুকদাৰে আজি দ্বিতীয় দিনা আদালতত সাক্ষ্য প্ৰদান কৰে। অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা, শেখৰ জ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তৰ অধিবক্তাই অভিমন্যু তালুকদাৰৰ জেৰা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে। উল্লেখযোগ্য যে, শিল্পীগৰাকীৰ মৃত্যুৰ গোচৰত পূৰ্বে প্ৰবাসী অসমীয়া পৰীক্ষিত শৰ্মা, সুস্মিতা গোস্বামী, প্ৰতীম লহকৰ, দেবজ্যোতি হাজৰিকা আৰু জীউ লাংচাট নাৰ্জাৰীয়ে সাক্ষ্য প্ৰদান কৰিছিল।

০০০০০

শ্বহীদ পিয়লী ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাৰ ১৯৬ সংখ্যক মৃত্যু তিথি উপলক্ষে আজি শিৱসাগৰত ৰংপুৰ প্ৰাচীন কীৰ্তি চিহ্ন সংৰক্ষণ সমিতিৰ উদ্যোগত শ্বহীদ স্মৃতি দিৱস পালন কৰা হয়। এই উপলক্ষে বৰপুখুৰীৰ পাৰত থকা শ্বহীদ পিয়লী ফুকন উদ্যানত বন্তি প্ৰজ্বলন, শ্ৰদ্ধাঞ্জলি আৰু মৈদামত তৰ্পণ কৰা হয়। অনুষ্ঠানত শ্বহীদগৰাকীৰ পৰিয়ালৰ সদস্যকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে। উল্লেখযোগ্য যে, বৃটিছৰ বিৰুদ্ধে কৰা বিদ্ৰোহৰ বাবে ১৮৩০ চনৰ ২৪ ছেপ্তেম্বৰত পিয়লী ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাক শিৱসাগৰত ফাঁচী দিয়া হৈছিল। অনুষ্ঠানত বক্তাসকলে দুয়োগৰাকী শ্বহীদৰ অৱদান স্মৰণ কৰাৰ লগতে তেওঁলোকক যথোচিত স্বীকৃতি প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়।

০০০০০

এছিয়ান গেমছৰ শ্বুটিং প্ৰতিযোগিতাত আজি মিস্কড্ স্কীট টীম শিতানত অনন্ত জিৎ সিং নাৰুকা আৰু পৰিনাজ ধালিৱালে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। উল্লেখযোগ্য যে এই শিতানত ভাৰতৰ এইটোৱেই প্ৰথম এছিয়ান গেমছৰ পদক। ইফালে, কাবাডীত ভাৰতীয় পুৰুষ দলটোৱে গ্ৰুপ-এৰ চূড়ান্ত খেলত চীনক ৩৭-২১ ফলাফলত হৰুৱাই ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। গ্ৰুপ পৰ্যায়ত এইবাৰৰ সৈতে ভাৰতে চতুৰ্থ বাৰলৈ জয়লাভ কৰিছে। ইয়াৰ পূৰ্বে ভাৰতে দক্ষিণ কোৰিয়া, জাপান আৰু বাংলাদেশক পৰাজিত কৰিছিল। ১৯৯০ চনৰে পৰা কাবাডীত এছিয়ান গেমছত অন্তৰ্ভুক্ত হৈছে আৰু ভাৰতীয় পুৰুষ দলটোৱে ৮টা সোণৰ পদকসহ মুঠ ৯টা পদক লাভ

কৰিছে। আনহাতে, ভাৰতীয় মহিলা দলটোৱে জয়ৰ ধাৰা অব্যাহত ৰাখি ইৰানক ৩৭-২৩ ৰ ফলাফলত পৰাজিত কৰে। মহিলা দলটোৱে ইয়াৰ পাছত জাপানৰ সৈতে মুখামুখি হ’ব।

ooooo

সমাপ্ত